بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৯ ডিচেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশিদ ছৈয়দিনা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ ঈমান বৰ্দ্ধক ঘটনাৱলীৰ বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা জুমাৰ খোতবাত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে দিয়া কিছুমান উদ্ধৃতি বৰ্ণনা কৰা হৈছিল। আজি তাৰেই আৰু কিছুমান মন্তব্য সম্পৰ্কে বৰ্ণনা কৰা হ'ব। হজৰত মছিহ মাওউদ (আঃ)য়ে কয় যে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ ফাৰুক (ৰাঃ) সেই অতিথি সকলৰ জামাতৰ আমিৰ আছিল যিসকলে আল্লাহৰ ওয়াস্তে উচ্চ উচ্চ পাহাৰ বগাই পাৰ হৈছিল আৰু তেখেত সকলে বিভিন্ন ধৰ্ম বৰ্ণৰ লোক সকলক সত্যৰ ফালে আমন্ত্ৰণ জনাইছিল। এনেদৰে তেখেত সকলৰ এই আমন্ত্ৰণ দূৰ-দূৰান্তলৈ পৌচাই গৈছিল। সেই দিনবোৰতে খিলাফতক অধিক ইছলামী সফলতা দান কৰা হৈছিল। লগতে বিভিন্ন ধৰণৰ কৃতকাৰ্য্যতা আৰু বিজয়ৰ সৈতে ৰঙীণ সুগন্ধিময় কৰি তোলা হৈছিল। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ খিলাফত কালত ইছলাম বিভিন্ন ধৰণৰ বিবাদ বিদ্ৰোহৰ সন্মুখীন হ'ব লগা হৈছিল আৰু এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছিল যে মুকলি ভাৱে লুণ্ঠনকাৰী সকলে মুছলমান সকলৰ ওপৰত আক্ৰমণ চলাইছিল। এনেদৰে মুছলমান সকলক লুটি-পুটি লৈ বিজয়ৰ ডঙ্কা উৰুৱাইছিল। এনে বিপদজনক পৰিস্থিতিত আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)ৰ জৰিয়তে ইছলামৰ সহায় আগবঢ়াই অন্ধ কুপৰ পৰা তাৰ প্ৰিয়জনক উলিয়াই নিছিল। যাৰ ফল স্বৰূপে ইছলাম দুৰাৱস্থাৰ চৰম বিপৰ্যয়ৰ পৰা লাহে লাহে উন্নতিৰ ফালে ধাৱমান হৈছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কয় যে এয়া প্ৰকৃত সত্য যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী ৰবিৰ দৰে উজ্জ্বলময় হৈছিল। যিজনে এয়া অস্বীকাৰ কৰিছে, তেওঁ মিছা কৈছে আৰু চয়তানৰ লগত গৈ মিলিছে। যিসকলে লোকৰ ওচৰত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ মান,মৰ্যদা সম্পৰ্কে কোনো সন্দেহ পোষিত হৈ আছে, সম্ভৱত তেওঁলোক গোনাহগাৰ হ'ব আৰু তেওঁলোকে

গভীৰ পানীক তৰাং বুলি ধাৰণা কৰি আছে আৰু তেওঁলোকে এনেকুৱা এজন ব্যক্তিক অৱমাননা কৰিছে, যিজন আগশাৰীৰ মান্যবৰ আৰু শ্ৰদ্ধেয় ব্যক্তি আছিল। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ পৰা মোমিন ব্যক্তিয়ে জগতৰ পৰা কেৱল মাত্ৰ নিজৰ প্ৰয়োজনখিনিহে লৈ লৈছিল। তেন্তে ইয়াতে কেনেকৈ ক'ব পৰা যায় যে হজৰত আবু বক্কৰ (ৰাঃ)যে আঁহজৰত (ছাঃ)ৰ উম্মতৰ ওপৰত অত্যাচাৰী মনোভাৱ পোষণ কৰিছিল। আল্লাহ তা'লা ছিদ্দিক আকবৰ (ৰাঃ)ৰ ওপৰত সীমাহীন ৰহমত নাযিল কৰক, তেখেত (ৰাঃ)য়ে ইছলামক জীৱিত কৰিছে আৰু কাফিৰ শত্ৰুক হত্যা কৰিছে, আৰু কিয়ামতলৈকে নিজৰ নেকিৰ সোত জাৰি কৰি থৈ গৈছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহ তা'লা ছিদ্দিক আকবৰ (ৰাঃ)ৰ ওপৰত ৰহমত বৰ্ষণ কৰক যে তেখেতে ইছলামক জীৱিত কৰি গৈছে আৰু কাফিৰ সকলক বধ কৰিছে আৰু কিয়ামত লৈকে নিজৰ নেকিৰ সোঁত জাৰি কৰি থৈ গৈছে। তেখেত (ৰাঃ) বৰ আকুতি-মিনতি কৰোঁতা অলিউল্লাহ আছিল আৰু আকুল কণ্ঠে দোৱাৰে সৈতে আল্লাহৰ সমীপত পৰি থাকিছিল। আল্লাহৰ দৰবাৰত কৰুণ মিনতিৰে নতশীৰ হৈ থকা আৰু তাৰ আঁচল দৃঢ় ভাৱে ধৰি ৰখাটো এখেত (ৰাঃ)ৰ অভ্যাসত পৰিণত হৈছিল। তেখেত (ৰাঃ)য়ে ছিজদাৰত অৱস্থাত দোৱা কৰিবলৈ বেছি জোৰ দিছিল আৰু কোৰাণ তিলাওয়াতৰ সময়ত চকুলো টুকিছিল। হজৰত আবু বক্কৰ (ৰাঃ) নিসন্দেহ ইছলাম আৰু মুৰছালিন সকলৰ গৌৰৱ হয়। তেখেত (ৰাঃ)ৰ হীৰা সদৃশ নৈতিক চৰিত্ৰ খায়ৰুল বাৰিয়া (ছাঃ)ৰ হীৰাক চৰিত্ৰৰ নিকটতম আছিল। এখেত (ৰাঃ) নবুয়তৰ সুগন্ধি গ্ৰহণত লাখ লোকৰ মাজত প্ৰথম স্থান দখল কৰিছিল। এখেত (ৰাঃ) সেই লোক সকলৰ মাজত প্ৰথম ব্যক্তি আছিল যিসকলে মলিন চাদৰক নিকা কৰি পৱিত্ৰ পোছাকলৈ ৰূপান্তৰিত কৰিছিল আৰু আম্বিয়া সকলৰ বহু গুণাৱলীৰ ক্ষেত্ৰত আম্বিয়া সকলৰ সাদৃশ্য ৰাখিছিল। আমি কোৰাণ কৰিমত এখেত (ৰাঃ)ৰ বিষয়ে উল্লেখ থকাৰ বাহিৰে বেলেগ কোনো চাহাবা সম্পৰ্কে বৰ্ণনা কেৱল আনুমানিক উপলব্দিৰ বাহিৰে নিশ্চিত ভাৱে থকাটো দেখিবলৈ নাপাওঁ। অনুমান এনেকুৱা এটা বস্তু যিটোৱে সত্যৰ তুলনাত একো মূল্য নাৰাখে আৰু এয়াই সত্য সন্ধানীক একো তৃপ্তি দিব নোৱাৰে। যিজনে হজৰত আবু বক্কৰ (ৰাঃ)ৰ সৈতে শত্ৰুতা পোষণ কৰে তেনেকুৱা ব্যক্তি আৰু সত্যৰ মাজত এটা এনেকুৱা বন্ধ দুৱাৰ অৱস্থিত আছে যিটো ছিদ্দিক সকলৰ চৰদাৰৰ ফালে ওলটি নহালৈকে খোল নাখায়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ আত্মাত ছিদ্দিক ও ছফা, দৃঢ়তা আৰু তাকওয়া ভৰপুৰ আছিল, সম্ভৱত গোটা বিশ্বই মুৰতদ হৈ গলেও তেখেত (ৰাঃ)য়ে ভ্ৰূক্ষেপ নকৰিলে হয় আৰু না পিছুৱাই গলহেঁতেন বৰং সকলো ক্ষেত্ৰতে নিজৰ খোজ আগলৈ বুলি বঢ়াই গলহেঁতেন। সম্ভৱত এই কাৰণেই আল্লাহ তা'লা নবী সকলৰ পিছতেই ছিদ্দিক সকলৰ কথা উল্লেখ কৰিছে আৰু কৈছে **ফাউলাইকা মাআল্লাজিনা আনআমাল্লাহু আলায়হিম মিনান্নাবিঈনা ওৱাচ্ছাদিকিনা ওৱাশ্বশ্বুহাদায়ি ওৱাচ্ছালিহিন**। এই আয়াতৰ মাজত ছিদ্দিক আকবৰ (ৰাঃ)ৰ অনন্য বৈশিষ্টক বেলেগৰ ওপৰত ফজিলত দিয়াৰ ইংগিত দিছে। কাৰণ ৰছুলুল্লাহ (ছাঃ)য়ে চাহাবা সকলৰ মাজত এখেতৰ বাহিৰে কোনো এজন চাহাবাৰ নাম ছিদ্দিক ৰখা নাই যে তেওঁ এখেতৰ স্থান আৰু মহানতা, মৰ্যদাক প্ৰকাশিত কৰিব। উক্ত আয়াতত খোদা সন্ধানী সকলৰ বাবে পূৰ্ণ পাঠ আৰু তেখেতৰ ছায়া প্ৰত্যাশিত সকলৰ ফালে বৰ গুৰুত্বপূৰ্ণ

ইংগিত লিপিবদ্ধ কৰিছে। আমি যেতিয়া এই আয়াত গমি চাওঁ তেতিয়া দেখিবলৈ পাওঁ যে এই আয়াত হজৰত আবু বক্কৰ (ৰাঃ)ৰ গুণাৱলীৰ এটা ডাঙৰ সাক্ষী, আৰু ইয়াতে আছে এটা গভীৰ ৰহস্য, যিটো সেইজন ব্যক্তিৰ ওপৰত প্ৰকাশ পায়, যিজনে অনুসন্ধান কৰে। গতিকে আবু বক্কৰ হ'ল সেইজন যাক ৰছুলে কৰিম (ছাঃ)ৰ মোবাৰক মুখেৰে ছিদ্দিক উপাধি প্ৰদান কৰিছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইবনে খুলদুনে কৈছে, যেতিয়া আঁহজৰত (ছাঃ)ৰ বেমাৰৰ কষ্ট বাঢ়ি গৈছিল আৰু তেখেত (ছাঃ) অচেতন হৈ পৰে আৰু নামাজৰ ওয়াক্ত আহি পৰে তেতিয়া আঁহজৰত (ছাঃ)য়ে জ্ঞান ঘুৰাই পোৱাৰ লগে লগে কৈছিল যে আবু বক্কৰক কোৱা, তেওঁ যেন লোকক নামাজ পঢ়ায়। ৰছুলুল্লাহ (ছাঃ)য়ে তিনিটা বিষয়ে অচিয়ত কৰাৰ পিছত কয় যে আবু বক্কৰৰ খিৰিকিৰ বাদে মছজিদত খুলিব পৰা সকলো খিৰিকি বন্ধ কৰি দিয়া, কাৰণ মই সকলো চাহাবাৰ মাজত দয়াৰ ক্ষেত্ৰত কাকো আবু বক্কৰতকৈ বেছি উত্তম বুলি নাজানো। আকৌ ইবনে খুলদুনে কৈছে যে আল্লাহ তা'লাৰ মনোৰম কৃপাৰ পৰা যিখিনি সি আবু বক্কৰ (ৰাঃ)ৰ ওপৰত নাযিল কৰিছে আৰু ৰছুলুল্লাহ (ছাঃ)ৰ নৈকট্য লভিত যি বিশেষত্ব এখেত (ৰাঃ)য়ে লাভ কৰিছিল সেয়া আছিল এয়া যে হজৰত আবু বক্কৰ (ৰাঃ)ক সেইখন খাটৰ ওপৰত উঠোৱা হৈছিল যিটোৰ ওপৰত ৰছুলুল্লাহ (ছাঃ)ক উঠোৱা হৈছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ কবৰখন নবী কৰিম (ছাঃ)ৰ কবৰৰ দৰে সুন্দৰ বনোৱা হৈছিল আৰু চাহাবা সকলে এখেত (ৰাঃ)ৰ কবৰ ৰছুলুল্লাহ (ছাঃ)ৰ কবৰৰ ওচৰত স্থাপন কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে মুমুৰ্ষ অৱস্থাত যি বাক্য পাঠ কৰিছিল সেয়া হ'ল এয়া হে আল্লাহ ! মোক মুছলমান হোৱা অৱস্থাত মৃত্যু দিয়া আৰু মোক চালেহিন সকলৰ অন্তৰ্ভুক্ত কৰা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে হজৰত আবু বক্কৰ (ৰাঃ) এজন স্বল্প উপাৰ্জনকাৰী খোদা প্ৰস্থ লোক আছিল, যিজনে এন্ধাৰে আৱৰি ধৰাৰ পিছতও ইছলামক আকৌ নৱৰূপ দিছিল। যিসকলে ইছলাম ত্যাগ কৰিবলৈ লৈছিল তেওঁলোকৰ সৈতে মোকাবিলা কৰিছিল। যিসকলে সত্যক অস্বীকাৰ কৰিছিল আৰু বিৰোধ আৰম্ভ কৰিছিল তেওঁলোকৰ সৈতে যুদ্ধ দিছিল। যিসকলে আকৌ ইছলামলৈ প্ৰত্যাৱৰ্তন কৰিছিল তেওঁলোকৰ সৈতে কোমল আৰু ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰিছিল। তেখেত (ৰাঃ)য়ে ইছলাম প্ৰচাৰৰ বাবে বৰ দুঃখ কষ্ট সহ্য কৰি প্ৰত্যেক বিৰোধীৰ বিপক্ষে উঠি পৰি লাগিছিল। তেখেত (ৰাঃ)য়ে প্ৰত্যেক মিছা নবুয়তৰ দাবীদাৰক ধ্বংস কৰে আৰু আল্লাহ তা'লাৰ ওয়াস্তে সকলো সম্পৰ্ক ছিন্ন কৰিছিল। তেখেত (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ আনুগত্যৰ মাজেৰে জীৱনৰ সকলো আনন্দ খুজি পাইছিল। মই ছিদ্দিক আকবৰ (ৰাঃ)ক সঁচাকৈয়ে সত্যবাদী হিচাপে পাইছিলো আৰু অনুসন্ধান সুত্ৰে এই বিষয়টো মোৰ ওচৰত স্পষ্ট হৈ পৰে যে যেতিয়া মই তেখেত (ৰাঃ)ক সকলো ইমামৰ ইমাম আৰু দ্বীন আৰু উম্মতৰ এটা জলন্ত বন্তি হিচাপে পাইছিলো তেতিয়া মই তেখেত (ৰাঃ)ৰ লেকাম দৃঢ়তাৰে সৈতে খামুচি ধৰিছিলো আৰু তেখেত (ৰাঃ)ৰ নিৰাপত্তাৰ অধীনত আশ্ৰয় লৈ চালেহিন সকলক ভাল পাই নিজৰ সৃষ্টিকৰ্তাৰ পৰা কৃপা লাভ কৰিব বিচাৰিছিলো। যাৰ ফলত খোদায়ে ৰহিম ও কৰিমে মোৰ ওপৰত ৰহমত নাযিল কৰে আৰু মোক আশ্ৰয় দি সহায় আগবঢ়ায়। লগতে তাৰ তৰবিয়তৰ মাজেৰে মৰ্যদাশীল ব্যক্তি সকলৰ শাৰীত মোক অন্তৰ্ভুক্ত কৰে। আৰু তাৰ বিশেষ ৰহমতৰ জৰিয়তে মোক এই শতিকাৰ মুজাদ্দিদ আৰু মছীহ মাওউদ

বনাই দিয়ে আৰু মোক চালেহিন আৰু মুলহিমিনৰ অন্তৰ্ভুক্ত কৰে। মোৰ হৃদয়ৰ চিন্তা দূৰ কৰি দিয়ে আৰু মোক সেইবিলাক বস্তু প্ৰদান কৰে যিবোৰ জগতত আন কাকো দিয়া হোৱা নাই আৰু এই সকলোবোৰ মই নবীয়ে কৰিম (ছাঃ) আৰু তাৰ প্ৰিয় পাত্ৰ সকলক ভালপোৱাৰ ফল স্বৰূপে লাভ কৰিছোঁ। হে আল্লাহ ! তুমি তোমাৰ শ্ৰেষ্ঠ ৰছুল আৰু খাতামুল আম্বিয়া আৰু বিশ্বৰ সমস্ত মানৱ জাতিৰ মাজত সৰ্বোত্তম ব্যক্তি মহম্মদ ৰছুলুল্লাহ (ছাঃ)লৈ দৰূদ আৰু ছালাম প্ৰেৰণ কৰা। খোদাৰ কছম ! হজৰত আবু বক্কৰ (ৰাঃ) জীৱিত থকাত আৰু কবৰতও ৰছুলুল্লাহ (ছাঃ)ৰ সংগী হৈ আছিল। ইয়াতে মই বুজাব বিচাৰিছো যে এটা কবৰ হ'ল ছুৰ গুহা, আনটো মদিনাত অৱস্থিত কবৰ যিটো খায়ৰুল বাৰিয়া (ছাঃ)ৰ কবৰৰ লগত মিলিত হৈ আছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ আদৰ্শ সদায় সন্মুখত ৰাখিবা। আঁহজৰত (ছাঃ)ৰ সেই সময় ছোৱাৰ ওপৰত গমি চোৱা যে যেতিয়া কুৰাইছ শত্ৰু সকলে দুষ্টালিৰ চৰম সীমা পাইছিল গৈ আৰু তেওঁলোকে আঁহজৰত (ছাঃ)ক হত্যা কৰাৰ পৰিকল্পনা হাতত লৈছিল তেতিয়া কিমান বিপদজ্জনক অৱস্থা সন্মুখত থিয় দিছিল। সেই কঠিন সময় প্ৰদান কৰিছিল তাৰ উদাহৰণ পৃথিৱীত বিৰল।এই শক্তি সত্যতা আৰু ঈমান বিহনে কাদাপিও লাভ কৰা সম্ভৱ নহয়। আজি যেনেকৈ তোমালোকে নিজৰ নিজৰ স্থানত অৱস্থান কৰি আছা, চিন্তা কৰি চোৱা ! যদি তেনে ধৰণৰ কোনো সমস্যা মোৰ ওপৰত আহি যায় তেন্তে কেইজন আছা যে মোৰ লগ দিবলৈ সাজু হবা। মই জানো যে এই কথাখিনি শুনি কিছুমানৰ হাত ভৰি কোচ খাই যাব, তেওঁলোকৰ নিজৰ সম্পত্তিৰ কথা মনলৈ আহিব, আত্মীয় সকললৈ মনত পৰিব যে এই সকলোবোৰ কেনেকৈ এৰি দিম। সমস্যা জৰ্জৰিত অৱস্থাত কাৰোবাৰ লগ দিয়াটো সদায় সম্পূৰ্ণ ঈমানদাৰ সকলৰ কাম। গতিকে যেতিয়ালৈকে মানুহে কাৰ্য্যকৰী ঈমান হৃদয়ত স্থাপন নকৰিব, তেতিয়ালৈকে কেৱল কথাৰে একো কাম নহ'ব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ চৰিত্ৰত ৰছুলুল্লাহ (ছাঃ)ৰ চৰিত্ৰৰ প্ৰভাৱ পৰিছিল আৰু এখেত (ৰাঃ)ৰ হৃদয় বিশ্বাসৰ আলোকেৰে আলোকিত হৈ পৰিছিল। যাৰ ফলত তেখেতে এনেকুৱা বীৰত্ব আৰু দৃঢ়তা দেখুৱাব পাৰিছিল যে আঁহজৰত (ছাঃ)ৰ বাদে ইয়াৰ দৃষ্টান্ত বিৰল। তেখেতৰ জীৱনটো ইছলামৰ জীৱন আছিল। মই সঁচা কৈছো যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে ইছলামৰ বাবে দ্বিতীয়জন ব্যক্তি আৰু মই বিশ্বাস ৰাখো যে যদি আঁহজৰত (ছাঃ)ৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)ৰ ব্যক্তিত্বই কোনো ভূমিকা নললে হয় তেন্তে ইছলাম নাথাকিলেহেঁতেন। হজৰত আবু বক্কৰ (ৰাঃ)ৰ বৰ ডাঙৰ ভূমিকা হ'ল তেখেতৰ জৰিয়তে ইছলামে দ্বিতীয় বাৰলৈ স্থাপন হৈছে। তেখেত (ৰাঃ) সকলো মানৱৰ মাজত আটাইতকৈ বেছি নবুয়তৰ গুণাৱলীৰ অধিকাৰী আছিল আৰু খায়ৰুল বাৰিয়া (ছাঃ)ৰ খলিফা হোৱাৰ প্ৰথম যোগ্য ব্যক্তি আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে অৱশেষত কয় যে এইজনেই আছিল হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)। যিজনে আল্লাহ তা'লা আৰু তাৰ ৰছুল (ছাঃ)ৰ প্ৰেমত নিজকে নিজে বিলীন কৰি দিছিল। বদৰি চাহাবা সকলৰ বিষয়ে চলা বৰ্ণনাৰ মাজত এয়া শেষ বৰ্ণনা আছিল, যাৰ এতিয়া অন্ত পৰিল। আল্লাহ তা'লা আমাক সেই চাহাবা সকলৰ আদৰ্শত চলিবলৈ তৌফিক দান কৰক আৰু যি মানদণ্ড তেখেত সকলে স্থাপন কৰিছে, আমিও যেন সেই মানদণ্ড স্থাপন কৰাৰ বাবে চেষ্টা কৰোঁতা হওঁ। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 9 DEC 2022**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**